**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সুচল শাসন, দ্ৰুত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু শাসনৰ স্বচ্ছতাই এন ডি এ শাসিত ৰাজ্যসমূহক বিনিয়োগকাৰী আৰু বিনিয়োগ আকৰ্ষিত কৰাত সহায় কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মলাৱিৰ ৰাষ্ট্ৰপতি লজাৰছ চাকৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩। চৰকাৰে খচৰা মধ্যস্থতা আৰু আপোচ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত দিহা-পৰামৰ্শ বিচাৰিছে।

৪। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে।

আৰু

৫। ভাৰতে বাংগালুৰু টেষ্টৰ তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে দ্বিতীয় ইনিংছত ৩ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সুচল শাসন, দ্ৰুত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু শাসনৰ স্বচ্ছতাই এন ডি এ শাসিত ৰাজ্যসমূহক বিনিয়োগকাৰী আৰু বিনিয়োগ আকৰ্ষিত কৰাত সহায় কৰিছে। চণ্ডীগড়ত কালি এন ডি এৰ নেতাসকলৰ বৈঠকক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে এন ডি এ চৰকাৰে জনসাধাৰণৰ বৰ্ধিত আশা-আকাংক্ষা পূৰণ কৰি আহিছে আৰু সমাজৰ শেষৰজন ব্যক্তিক সেৱা প্ৰদান এন ডি এ চৰকাৰৰ বৈশিষ্ট্য। এই বৈশিষ্ট্যই ২০১৪ চনৰেপৰা চৰকাৰৰ প্ৰতি আস্থা গঢ়ি তোলাত সহায় কৰিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। জনসাধাৰণৰ সমস্যাৰাজিৰ সমাধান সূত্ৰ উলিওৱাটোৱে সুশাসনৰ অৰ্থ বুলি উল্লেখ কৰি তেওঁ কয় যে ওজৰ-আপত্তি নিষ্পত্তিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা সমাধানকেন্দ্ৰিক শাসন ব্যৱস্থা সকলো এন ডি এ ৰাজ্য চৰকাৰৰ বিশেষ পৰিচয় হৈ পৰিছে। শ্ৰী মোদীয়ে জনহিতৈষী, সক্ৰিয় সুশাসনৰ অৱধাৰণাৰো ব্যাখ্যা আগবঢ়ায়।

হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত জয়লাভ কৰাটো গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এন ডি এ মিত্ৰজোঁটে সমাজৰ সকলো শ্ৰেণীৰ আস্থা আৰু সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হৈছে। বৈঠকত হাৰিয়ানাৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত এন ডি এ বিজেপিৰ জয়ৰ বাবে শ্ৰী মোদীক অভিনন্দন জ্ঞাপন কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ভাৰতীয় সংবিধান প্ৰণয়নত ৭৫ সংখ্যক বাৰ্ষিকী সংবিধানৰ অমৃত মহোৎসৱ হিচাপে পালন কৰাৰ উদ্দেশ্যে আন এটা প্ৰস্তাৱ বৈঠকত গ্ৰহণ কৰা হয়। বৈঠকত ২০২৫ বৰ্ষত গণতন্ত্ৰৰ হত্যাৰ ৫০ সংখ্যক বৰ্ষ হিচাপে পালন কৰা সংকল্পও গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি ভগৱান বীৰচা মুণ্ডা আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ সংখ্যক জন্মবাৰ্ষিকী আৰু অহা বছৰ অটল বিহাৰী বাজপেয়ীৰ জন্ম শতাব্দী পালন কৰাৰো সংকল্প লোৱা হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মলাৱিৰ ৰাষ্ট্ৰপতি লজাৰছ চাকৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো ভাগ লয়। এই উপলক্ষে কলা আৰু সংস্কৃতি, ক্ৰীড়া, যুৱ পৰিক্ৰমা আৰু ভেষজ খণ্ডৰ চাৰিখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ভাৰতে লগতে মলাৱিলৈ এহেজাৰ মেট্ৰিকটন চাউল যোগান ধৰাৰ কথা ঘোষণা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে মলাৱিৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকো পৰিদৰ্শন কৰে।

০০০০০০০

চৰকাৰে খচৰা মধ্যস্থতা আৰু আপোচ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত দিহা-পৰামৰ্শ বিচাৰিছে। আইন আৰু ন্যায় মন্ত্ৰ্যালয়ে কৈছে যে দেশত বিবাদ নিষ্পত্তি বাতাবৰণ সুদৃঢ় আৰু ব্যৱসায় সুচল কৰাৰ বাবে ভালেমান পদক্ষেপ লৈছে। মন্ত্ৰ্যালয়ে কৈছে যে আইন পৰিক্ৰমা বিভাগে সম্প্ৰতি ১৯৬৬ চনৰ মধ্যস্থতা আৰু আপোচ আইন সংশোধনৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে। প্ৰতিষ্ঠানগত মধ্যস্থতা ব্যৱস্থাৰ প্ৰসাৰ, মধ্যস্থতা প্ৰক্ৰিয়াত ন্যায়ালয়ৰ হস্তক্ষেপ কম কৰা আৰু সময়মতে মধ্যস্থতা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাই সংশোধিত বিধেয়কখনৰ মূল উদ্দেশ্য। আইন পৰিক্ৰমা বিভাগে জনসাধাৰণক ৩ নৱেম্বৰৰ ভিতৰত বিধেয়কখন সন্দৰ্ভত দিহা-পৰামৰ্শ আগবঢ়াবলৈ কৈছে।

০০০০০০০

ভূটানৰ শক্তি আৰু প্ৰাকৃতিক সম্পদ মন্ত্ৰী লিয়নপ’ জেম ছেৰিঙে আজি নতুন দিল্লীত কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালক সাক্ষাৎ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে বৈঠকত জলবিদ্যুৎ খণ্ডত দুয়োখন দেশৰে বহুদিনীয়া সহযোগিতাক অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। দুয়োপক্ষই লগতে পুনা ৱান জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে দুয়ো দেশৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ বিষয় লৈও আলোচনা কৰে। আলোচনাকালত মনোহৰ লালে ভূটানৰ সৈতে জলবিদ্যুৎ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ লগতে সহযোগিতাৰ এই জটিল ক্ষেত্ৰত দেশখনলৈ পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

০০০০০০০

এন ডি এয়ে আসন্ন ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে সহযোগী দলসমূহৰ সৈতে আসনৰ ভাগ-বাটোৱাৰাৰ কথা ঘোষণা কৰিছে। ৰাঁচীত এই কথা ঘোষণা কৰি ঝাৰখণ্ড নিৰ্বাচনৰ সহ-প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে বিজেপিয়ে ৰাজ্যখনৰ ৬৮ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এ জে এছ্ ইউ দলক ১০ খন আসন আৰু জামছেদপুৰ পশ্চিম তথা টমাড় সমষ্টি দুটা জে ডি ইউ দলক এৰি দিয়া হ’ব। চিৰাগ পাছোৱান নেতৃত্বাধীন এল জে পিয়ে চত্ৰা আসনখনত প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সীমা নিৰ্ধাৰণৰ পূৰ্বৰ সমষ্টি ক্ষেত্ৰ অনুসৰি এই উপ-নিৰ্বাচন অনুষ্ঠিত হ’ব। তেওঁ লগতে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ বিষয় লৈ চিন্তিত হোৱাৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিয়ে, কিয়নো নিৰ্বাচনৰ দিনা পুৰণি আৰু নতুন ভোটাৰ পৰিচয় পত্ৰ ব্যৱহাৰৰ অনুমতি দিয়া হ’ব। উপ-নিৰ্বাচনত ৯ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব বুলি শ্ৰী গোৱেলে প্ৰকাশ কৰে।

০০০০০০০

চৰকাৰে ৰাষ্ট্ৰীয় জলপানি প’ৰ্টেলযোগে ২০২৪-২৫ বৰ্ষৰ জলপানিৰ বাবে আবেদনৰ সময়সীমা ৩১ অক্টোবৰলৈকে বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে এই ৰাষ্ট্ৰীয় জলপানি আঁচনিখনৰ জৰিয়তে মেধাৱী তথা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ অষ্টম শ্ৰেণীৰ পাছত শিক্ষা অব্যাহত ৰাখিবলৈ জলপানি প্ৰদান কৰা হয়। এইবছৰ ৰাষ্ট্ৰীয় জলপানি প’ৰ্টেলত যোৱা ৩০ জুনৰে পৰা আবেদন জমা দিয়াৰ প্ৰক্ৰিয়া চলি আছে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰসমূহে অনুষ্ঠিত কৰা সংশ্লিষ্ট পৰীক্ষাত উত্তীৰ্ণ নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ছাত্ৰ-ছাত্ৰীলৈ প্ৰতিবছৰে এই আঁচনিখনৰ জৰিয়তে জলপানি প্ৰদান কৰা হয়। অৱশ্যে কেৱল চৰকাৰী, চৰকাৰী অনুদানপ্ৰাপ্ত আৰু স্থানীয় নিকায়ৰ অধীনৰ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলেহে এই জলপানিৰ সুবিধা লাভ কৰিব পাৰে।

০০০০০০০

দিল্লীৰ ৰাউজ এভিনিউ আদালতে আম আদমী পাৰ্টীৰ নেতা আৰু দিল্লীৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী সত্যেন্দ্ৰ জৈনক আজি দুবছৰৰ মূৰত ক'লাধন বৈধকৰণৰ গোচৰত জামিন প্ৰদান কৰে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে চাৰিটা কোম্পানীৰ মাধ্যমেৰে ক'লাধন বৈধকৰণৰ অভিযোগত ২০২২ চনৰ ৩০ মে'ত গ্ৰেপ্তাৰ কৰিছিল। তেওঁ সম্প্ৰতি ন্যায়িক জিম্মাত আছে।

০০০০০০০

ৰাজ্যত সংঘটিত অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰি গোচৰ সন্দৰ্ভত চি বি আইৰ তদন্ত অব্যাহত আছে। এই তদন্তৰ অংশ হিচাপে ট্ৰেডিং কেলেংকাৰিৰ কেইবাগৰাকীও ভুক্তভোগীক আজি চি বি আয়ে গুৱাহাটী কাৰ্যালয়লৈ সোধা-পোছাৰ বাবে মতা হৈছে। চি বি আইৰ এটা দলে ডিব্ৰুগড়লৈ গৈ কেলেংকাৰিৰ তদন্ত আৰম্ভ কৰিছে। এই গোচৰৰ অন্যতম অভিযুক্ত দীপাংকৰ বৰ্মন এতিয়াও পলাতক অৱস্থাত আছে।

০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে দ্বিতীয় ইনিংছত ৩ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। ভাৰত নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২৫ ৰানত পিছপৰি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত কোহলি আৰু ছৰফৰাজ খানে ৭০ ৰানকৈ কৰে। ৰোহিত শৰ্মাই ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ এজাজ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপ্‌ছে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে ৰাছিন ৰবিন্দ্ৰৰ ১৩৪ ৰানৰ সহায়ত প্ৰথম ইনিংছত ৪০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ আৰু জাদেজাই তিনিটাকৈ উইকেট দখল কৰিছে।

বিৰাট কোহলিয়ে টেষ্ট ক্ৰিকেটত ৯ হাজাৰ ৰান সম্পূৰ্ণ কৰিছে। কোহলিয়ে নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্টখনৰ দ্বিতীয় ইনিংছত এই কৃতিত্ব অৰ্জন কৰে। কোহলি - শচীন তেণ্ডুলকাৰ, ৰাহুল দ্ৰাবিড় আৰু সুনীল গাভাস্কাৰৰ পাছত এই সাফল্য অৰ্জন কৰা চতুৰ্থগৰাকী ভাৰতীয় বেট্‌ছমেন।

০০০০০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপত আজি শ্বাৰজাহ ক্ৰিকেট ষ্টেডিয়ামত দ্বিতীয়খন ছেমিফাইনেলত নিউজিলেণ্ড ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। এই খেলখনত বিজয়ী দলটোৱে দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব।

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেল খেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

সপ্তদশ সদৌ অসম আন্তঃজিলা মল্লযুদ্ধ প্ৰতিযোগিতাৰ গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত কাইলৈ আৰম্ভ হ'ব। অসম মল্লযুদ্ধ সংস্থাই দুদিনীয়াকৈ আয়োজন কৰা এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০

**সমাপ্ত**